অধ্যায় ১৩ ঃ ভৌতিক সংস্কৃতি

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ভৌতিক সংস্কৃতি

১৩.৩.১ লোকশিল্প

১৩.৩.২ লোককলা

১৩.৩.৩ লোকস্থপতি বিদ্যা

১৩.৩.৪ লোকআভৰণ

১৩.৩.৫ লোকৰন্ধন প্ৰণালী

১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৫ অধিক জানিবলৈ

১৩.৬ অগ্ৰগতিৰ খতিয়ান

১৩.৭ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভৌতিক সংস্কৃতি সম্পৰ্কে আভাস লাভ কৰি অসমৰ ভৌতিক সংস্কৃতি সম্পৰ্কে অৱগত হ'ব
- অসমৰ লোকশিল্প আৰু লোককলাৰ বিষয়ে জ্ঞাত হ'ব
- অসমীয়া লোকস্থপতি বিদ্যাৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমৰ লোকআভৰণ আৰু লোকৰন্ধন প্ৰণালীৰ বিষয়ে ধাৰণা লাভ কৰিব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি সামাজিক লোকাচাৰ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলে। লগতে তাৰ আধাৰত অসমীয়া সামাজিক লোকাচাৰৰ বিভিন্ন উপকৰণ তথা উপাদান সম্পৰ্কেও অধ্যয়ন কৰিলে। এই অধ্যায়টোত আমি সেই চাৰিটা বিভাগৰ এটি উল্লেখযোগ্য ভাগ 'ভৌতিক সংস্কৃতি'ৰ বিষয়ে বহলাই আলোচনা কৰিম। ইতিমধ্যে পূৰ্বৰ অধ্যায়টিত এই বিষয়ে সাধাৰণ পৰিচয় প্ৰদান কৰি অহা হৈছে। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি অসমৰ ভৌতিক সংস্কৃতিৰ বিষয়ে এক বিস্তৃত ধাৰণা লাভ কৰিব।

১৩.৩ ভৌতিক সংস্কৃতি

লোকসংস্কৃতিৰ এটা প্ৰধান বিভাগ হ'ল ভৌতিক সংস্কৃতি। আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্ৰীসমূহেই এই বিভাগটিত অন্তৰ্ভুক্ত হৈ আছে। মানৱ জীৱনৰ মৌলিক প্ৰয়োজনসমূহত ভৌতিক সংস্কৃতিৰ প্ৰাধান্য বেছি। জীৱনৰ লগত এই বিধ কলাৰ সম্পৰ্ক অতিকে গভীৰ। মূলতঃ দৃশ্যগত আচৰণৰ ওপৰত নিৰ্ভৰশীল এই কলাত পৰম্পৰাগত আৰু ব্যক্তিগত পৰিৱৰ্তনে ক্ৰিয়া কৰি থাকে বুলি আমি আগতেই উল্লেখ কৰিছোঁ। এই বিভাগটিত লোকশিল্প, লোককলা, লোকস্থপতি বিদ্যা, লোকআভৰণ আৰু লোকবন্ধন প্ৰণালী— আদি দিশসমূহ সন্নিৱিষ্ট হৈ আছে। অসম ভৌতিক সংস্কৃতিৰ ক্ষেত্ৰত এখন নন্দনকানন। অসমৰ লোকসংস্কৃতি বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণত সৃষ্ট। সেই বাবেই ইয়াত ভৌতিক সংস্কৃতিৰ ক্ষেত্ৰতো বিচিত্ৰতাৰ পয়োভৰ দেখিবলৈ পাওঁ। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

১৩.৩.১ লোকশিল্প

লোকসমাজ সাধাৰণতে স্বভাৱ শিল্পীৰে ভৰপূৰ। দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ পৰা আদি আৰম্ভ কৰি বিভিন্ন উৎসৱ-অনুষ্ঠানত বিশেষভাৱে প্ৰয়োজন হোৱা বিভিন্ন সামগ্ৰীলৈকে ইয়াৰ পৰিসৰ পৰিব্যাপ্ত হৈ আছে। অসমীয়া লোকসমাজো ইয়াৰ ব্যতিক্ৰম নহয়। মূলতঃ লোকশিল্পই ব্যক্তিজীৱন তথা সামূহিক জীৱনৰ প্ৰয়োজনীয়তা পূৰণ কৰে যদিও বহুসময়ত এইবোৰে অৰ্থনৈতিক দিশতো বিশেষ ভূমিকা গ্ৰহণ কৰে।



জানি থোৱা ভাল

বহু সময়ত লোকশিল্প আৰু লোককলা একাকাৰ হৈ যায়। লোকশিল্পই ব্যৱহাৰিক দিশটো প্ৰতিফলিত কৰে। কিন্তু যেতিয়াই ই ব্যৱহাৰিক দিশটোৰ পৰা উধাই গৈ মানুহক নান্দনিক সৌন্দৰ্যও প্ৰদান কৰে তেতিয়াই লোককলালৈ ৰূপান্তৰ ঘটে। অৰ্থাৎ লোককলা হিচাপে বিভূষিত হয়।

অসমৰ বহু অঞ্চল একোটা বিশেষ বিশেষ লোকশিল্পৰ বাবে বিখ্যাত। এইবোৰে অসমৰ লোকশিল্পৰ কেইবাটাও দিশত আপুৰুগীয়া আৰু গৌৰৱময় আসন দখল কৰি আছে। অসমৰ লোকশিল্পসমূহক কেইবাটাও বিভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। তলত এই ভাগকেইটা বহলাই আলোচনা কৰা হ'ল।

- *বয়নশিল্প ঃ* অসম দেশ বয়নশিল্পৰ বাবে অতীজৰে পৰা বিখ্যাত। অসমীয়া শিপিনীয়ে 'তাঁতশালত সপোন ৰচে' বুলি সেই বাবেই কোৱা হয়। 'ছাঁতে শুকুৰা, মুঠিতে লুকুৰা' অসমীয়া পাট-মুগাৰ কাপোৰ জগত বিখ্যাত। মধ্যযুগৰে পৰাই অসমৰ এড়ি, মুগা আৰু পাট বস্ত্ৰই বিদেশৰ বজাৰত এক সুকীয়া স্থান অধিকাৰ কৰিছিল।

ৰং-বিৰঙৰ আঁচু-সূতা, গুণাৰে বনকৰা তথা মিনাকৰা ফুলৰ চানেকীৰ বাবে অসমীয়া শিপিনী বিখ্যাত। অসমীয়া নাৰীয়ে এৰাতিতে কপাহ নেওঠি, পাঁজি বাটি, সূতা কাটি, কবচ কাপোৰ বৈ স্বামীক ৰণলৈ পথোৱাৰ কথাও বুৰঞ্জীত পোৱা যায়।

অসমীয়া শিপিনীয়ে এশ, ডেৰশ, তিনিশ কাঠীৰ ফুল চানেকি গামোচা, চাদৰ বা মেখেলাত বাছে। বিভিন্ন ধৰণৰ চৰাই (মইনা, শেন আদি), গছা, বস্তি, শৰাই, কলগছ, হাতী, ঘোঁৰা, বাঘ, সিংহ, জোন, বেলি, তৰা, আঠ, চাৰি বা ছপহীয়া ফুল তাঁতত দক্ষতাৰে ফুটাই তোলে। এইবোৰৰ উপৰি বৰ কাপোৰৰ গুণাকটা চেলেং, ৰিহা, মেখেলা-চাদৰ, চোলা-চুৰীয়া আদি নিত্য বাৰহার্য কাপোৰ ঘৰতে বৈ লয়। আনকি সদায় ব্যৱহাৰ কৰা গামোচাখনতো ফুল বাচি লয়। জনগোষ্ঠীয় শিপিনীয়ে কঁকালী তাঁতত ৰেখা, ত্রিভুজ, জ্যামিতিক চিত্রও ফুটাই তোলে।

- *মৃৎশিল্প ঃ* যিবোৰ সামগ্রী মাটি ব্যৱহাৰ কৰি নির্মাণ কৰা হয় তাকে মৃন্ময় সামগ্রী বুলি কোৱা হয়। ইয়াৰ লগত জড়িত শিল্পই হ'ল মৃৎশিল্প। অসমত প্রাগ্-ঐতিহাসিক কালৰেপৰা মৃৎশিল্পৰ প্রচলন থকাৰ প্রমাণ পোৱা যায়। মূলতঃ কুমাৰ আৰু হীৰাসকল হ'ল এই বৃত্তিধাৰী লোক। অসমৰ গৃহস্থালী তথা অন্যান্য কার্যত ব্যৱহৃত বিভিন্ন সঁজুলী তথা পাত্র মৃৎশিল্পৰ উৎকৃষ্ট উদাহৰণ। সৰুমলা, বৰমলা, চৰু, টেকেলি, গিলাচ, ধূপদানি, ধূনা বাটি, গাগৰি, দুণৰি, খোলা, বিভিন্ন মাটিৰ পুতলা, ইত্যাদি হ'ল মৃৎশিল্পৰ চানেকি। ইয়াৰ উপৰি বিহুত ব্যৱহাৰ কৰা সুষিৰ বাদ্য 'সুতুলি'ও মাটিৰে নির্মাণ কৰা হয়।

  গোৱালপাৰা, গৌৰীপুৰ তথা কামৰূপৰ বিভিন্ন ঠাইত মাটিৰ পুতলা নির্মাণ কৰা হয়। গৌৰীপুৰৰ পোৱামাটিৰ শিল্প জগত বিখ্যাত। সাধাৰণতে মাটিৰে দৰা-কইনা, হাতী-মাউত, ঘোঁৰা-মানুহ, চৰাই, পাল্কী বা দোলাৰ পুতলা সজা হয়। এইবোৰ সামগ্রী নির্মাণৰ ক্ষেত্রত ৰীতিবদ্ধ ভংগী দেখিবলৈ পোৱা যায়।



জানি থোৱা ভাল

কুমাৰসকলে মাটিৰ সামগ্রীসমূহ সাজোঁতে এখন বিশেষ ধৰণৰ চাক ব্যৱহাৰ কৰে। ইয়াক 'কুমাৰৰ চাক' বোলা হয়। হীৰাসকলে চাক ব্যৱহাৰ নকৰে। এওঁলোকে কাঠ বা বাঁহৰ মাৰিৰে মৰিয়াই মৰিয়াই মাটিৰ পাত্রসমূহ নির্মাণ কৰে।

- *বাঁহ, বেত, কাঠ, কুঁহিলা আৰু হাতীদাঁতৰ শিল্প ঃ* অসমীয়া সংস্কৃতিৰ এটা প্রধান উপাদান হ'ল বাঁহ। জন্মৰ পৰা মৃত্যুলৈকে অসমীয়া মানুহৰ নিত্য ব্যৱহার্য সামগ্রী হ'ল এই বাঁহ। সেই বাবেই অসমীয়া সংস্কৃতিক 'বাঁহ সংস্কৃতি' বুলিও কোৱা হয়। বাঁহৰ লগত অংগাংগীভাৱে জড়িত হৈ আছে বেত। ঘৰ সাজোতে প্রয়োজন হোৱা

খুঁটা, চতি, মাৰলী, বেৰ, চাল আদিত মূলতঃ বাঁহেই ব্যৱহাৰ কৰা হয়। মাছ ধৰা বিভিন্ন সঁজুলি, জাপি, ডুলি, দোণা, পাচি, খৰাহী, কুলা, তাঁতশালৰ বিভিন্ন সামগ্ৰী, খেতি কৰা সঁজুলি, বিচনী, বিভিন্ন প্ৰকাৰৰ চুঙা আদি নিৰ্মাণ কৰোঁতে বাঁহ ব্যৱহাৰ কৰা হয়। বেতেৰে এইবোৰ বান্ধি কটকটীয়া কৰা হয়। বেতেৰে বিচনী, বেগ, মেজ, চকী, ছোফা, দোলনা, বাকচ, ফুলৰ পাত্ৰ আদি অতি সুন্দৰভাৱে নিৰ্মাণ কৰা হয়। সত্ৰত নিৰ্মাণ কৰা বেতৰ বিচনীৰ কাৰুকাৰ্য চালে চকুৰোৱা। বাঁহৰ শলিৰ মোৰ দি বেতেৰে নিৰ্মাণ কৰা জপা, বটা, শৰাই, মুঢ়া অসমীয়া লোকশিল্পৰ উৎকৃষ্ট চানেকী। ভাওনাৰ মুখা নিৰ্মাণ কৰিবলৈও বাঁহেৰে সাঁচ এটি তৈয়াৰ কৰা হয়।



চিন্তা-চৰ্চা কৰক — ১৩.১

অসমৰ লোকসমাজত প্ৰচলিত বাঁহ আৰু বেতেৰে নিৰ্মাণ কৰা সামগ্ৰীসমূহৰ এখন তালিকা প্ৰস্তুত কৰক।

বাঢ়ৈসকলে কাঠেৰে বিভিন্ন শিল্প ৰচনা কৰে। বাঁহৰ দৰে ব্যাপকভাৱে নহ'লেও অসমীয়া লোকসমাজত কাঠেৰে বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰি ব্যৱহাৰ কৰা হয়। যাতায়তৰ ব্যৱস্থা হিচাপে ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ নাও, সত্ৰ-নামঘৰৰ মণিকূটত থকা সিংহাসনে অসমীয়া কাঠ-শিল্পৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰে। সিংহাসনত কাটি উলিওৱা কাছ, হাতী, উৰণীয়া সিংহ, গৰুড়, মৎস্য, ময়ূৰ আদিয়ে ইয়াৰ কলাত্মক দিশটো প্ৰকাশ কৰে। ঠিক সেইদৰে ঠগী, শৰাই, তাঁতশালৰ বিভিন্ন সামগ্ৰী, ধপাঁত খোৱা হোকাৰ নলিচা, ভাওনাত ব্যৱহাৰ কৰা বিভিন্ন মুখা, কাঠৰ চৰিয়া, বাটি, থাল, হেতা, খোল-ঢোলৰ খোলা, চালপীৰা, হাতনী পেৰা, ঢেঁকী, খুৰলি, নাঙল, যুঁৰলি, খুন্দনা আদিৰ দৰে নিত্য ব্যৱহাৰ্য সামগ্ৰীও কাঠেৰে নিৰ্মাণ কৰা হয়। এইবোৰ সামগ্ৰীত বিভিন্ন ফুলৰ জালি, চৰাই আদি কাটি উলিওৱা কথাটিয়ে বাঢ়ৈসকলৰ কলাত্মক মনৰ পৰিচয় দাঙি ধৰে।

কাঠৰ দৰে অসমৰ ঠাই বিশেষত কুঁহিলাৰেও ভালেমান শিল্প-কলা নিৰ্মাণ কৰাৰ পৰম্পৰা প্ৰচলন হৈ আছে। প্ৰধানতঃ গোৱালপাৰা, কামৰূপ, মংগলদৈ অঞ্চল কুঁহিলা শিল্পৰ বাবে বিখ্যাত। লোক কল্পনাৰ শৈল্পিক ৰূপটি কুঁহিলাৰে নিৰ্মাণ কৰা দেৱ-দেৱীৰ মূৰ্তি, মুখা, নৃত্যৰত নাচনি, কদমফুলৰ দৰে ফুল, দৰা-কইনাৰ মুকুতা আৰু কিৰীটি, বিবিধ পুতলা আদিয়ে দাঙি ধৰে। আনহাতে 'পুতলা নাচ'ত ব্যৱহাৰ কৰা বহু পুতলাও কুঁহিলাৰে নিৰ্মাণ কৰা হয়। উজনি অসমত কুঁহিলা কঠ নিৰ্মাণ কৰিবলৈ ব্যৱহাৰ কৰা হয়।

অসমৰ হাতী দাঁতৰ শিল্প পুৰণি কালৰে পৰা এক সমৃদ্ধিশালী ধাৰা হিচাপে চিহ্নিত হৈ আহিছে। অসমৰ হাতী দাঁতৰ ফনি, কাকৈ, টেমা, সঁফুৰা, লাঠী, দেৱমূৰ্তি,

জীৱ-জন্তুৰ প্ৰতিকৃতি আদিয়ে এই কথাৰ স্বাক্ষৰ বহন কৰে। আউনীআটী সত্ৰত সংৰক্ষিত হাতী দাঁতৰ পাটিখন অসমৰ এই লোকশিল্পবিধৰ উৎকৃষ্টতম চানেকী।

এইবোৰৰ উপৰি অসমৰ হাবিত পোৱা মাদুৰি, পাটি দৈ, মুঠাবন, তালপাত, টকৌপাত, মৰাপাট, ৰিহা, কুকুৰমুতা আদি গছৰ আঁহ, গড়ৰ খড়গ, ম'হ আৰু পহুৰ শিং আদিৰ পৰাও অসমীয়া লোকশিল্পীয়ে বহু মূল্যবান সা-সামগ্ৰী নিৰ্মাণ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পোৰামাটিৰ শিল্পৰ বাবে অসমৰ কোন অঞ্চল বিখ্যাত ?

.....

➢ *ধাতু শিল্প ঃ* ধাতুজাত সামগ্ৰী — কাঁহ, পিতল, তাম, সোণ, ৰূপ আৰু লোৰে নিৰ্মাণ কৰা সামগ্ৰীসমূহ এই বিভাগৰ অন্তৰ্গত। অসমৰ কাঁহ-পিতলৰ কাৰিকৰে দৈনন্দিন ব্যৱহাৰ্য আৰু গৃহস্থালী সঁজুলী, যেনে— বিভিন্ন ধৰণৰ কাঁহী, বিভিন্ন ধৰণৰ বাটি, ঠগী, শৰাই, সঁফুৰা, বটা, খৰাহি, লোটা, ঘটী, কলহ, গাগৰি, ভোগজৰা, মাইহাং, বিভিন্ন ঘন বাদ্য, পূজা-পাৰ্বন আদিত ব্যৱহাৰ কৰা বিভিন্ন সঁজুলী নিৰ্মাণ কৰে। বৰ্তমানৰ হাজো আৰু সৰ্থেবাৰী অঞ্চল ক্ৰমে পিতল আৰু কাঁহ শিল্পৰ বাবে বিখ্যাত।

অসমীয়া মানুহে সোণ-ৰূপ মূলতঃ অলংকাৰ হিচাপে ব্যৱহাৰ কৰে যদিও ধনী ব্যক্তিসকলে ইয়াৰে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী, যেনে— সোণ-ৰূপৰ ঠাল, বাটি, চৰিয়া আদিও ব্যৱহাৰ কৰিছিল। অসমীয়া সমাজত ব্যৱহৃত বিভিন্ন স্বৰ্ণাভৰণ — কেৰু, মণি, থুৰীয়া, খাৰু, দুগ-দুগী, ঢোলবিৰি, জোনবিৰি, মাকৰি, কাণফুল, আঙুঠি, জাংফাই, গেজেৰা, কৰধ্বনি আদি সোণ-ৰূপেৰে নিৰ্মিত। অসমীয়া কাৰিকৰে পাণখিলা স্বৰূপ দুগদুগী, শেৱালিফুল স্বৰূপ গলপতা; কাচি জোনৰ দৰে গেজেৰা; আঙুঠিত জেঠী, পখিলা; টেঙেচী পাতৰ আৰ্হিৰ নাকফুল; ডালিমফুলৰ দৰে কেৰু; কদৈ বা শিলিখাৰ দৰে চিপাত মণি আদি নিৰ্মাণ কৰি শিল্পীমনৰ পৰিচয় দাঙি ধৰিছে। উল্লেখযোগ্য যে সোণ-ৰূপৰ লগত বিভিন্ন মণি-মুকুতা খুওৱাৰ ফলত এই ধৰণৰ গহনা-গাঁঠৰিবোৰ উজ্জ্বল হৈ উঠে। আগৰ দিনত অসমীয়া পুৰুষেও নিজৰ মৰ্যাদা অনুযায়ী অলংকাৰ ব্যৱহাৰ কৰিছিল। এই অলংকাৰসমূহৰ মাজত লোককল্পনাৰ শিল্পসুলভ ৰূপ পৰিস্ফুট হৈছে।

লোহা শিল্পৰ ক্ষেত্ৰতো অসম পিচ পৰি থকা নহয়। অসমীয়া কমাৰে কমাৰশালত বিভিন্ন নিত্য ব্যৱহাৰ্য সামগ্ৰী গঢ়ে। নলীয়া কটাৰী, ডবুৱা কটাৰী, দা, মেচি দা, কেৰাহী, কোৰ, কুঠাৰ, মৈদা, জবকা, চিপ্ৰাং, বেৰী, পচা, হাঁকোটা, শিকলি

আদি ইয়াৰ ভিতৰত উল্লেখযোগ্য।

এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে অসমীয়া লোকশিল্পই অসমীয়া সমাজ জীৱনত এক গভীৰ স্থান অধিকাৰ কৰি আছে। বিৰিঞ্চি কুমাৰ বৰুৱাই অসমীয়া পিঠা-পনাতো লোকশিল্পৰ সৌৰভময় নিদৰ্শন দেখা যায় বুলি মন্তব্য কৰিছে। অসমীয়া লোকশিল্পৰ জগতখন সঁচাকৈয়ে বহুধা বিভক্ত।

১৩.৩.২ লোককলা

আমি ইতিপূৰ্বে উল্লেখ কৰিছোঁ যে এসময়ত লোকশিল্প আৰু লোককলা একাকাৰ হৈ যায়। মূল কথাটি হ'ল লোকশিল্পই ব্যৱহাৰিক তথা অৰ্থনৈতিক দাবী পূৰণ কৰে, কিন্তু লোককলাই নান্দনিক আনন্দ প্ৰদান কৰে। এই ক্ষেত্ৰত নবীন চন্দ্ৰ শৰ্মাৰ এযাৰ বক্তব্য স্মৰণযোগ্য— "আনন্দদানৰ প্ৰকাৰ্য সম্পৃক্ত নিৰ্মিতিয়েই কলা আৰু জীৱনৰ বাস্তৱিক প্ৰকাৰ্য সম্পৃক্ত নিৰ্মিতিয়েই শিল্প।" লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা কলাই হ'ল লোককলা। লোকশিল্পৰ প্ৰতিটো উপাদানতে লোককলাৰ ধৰ্ম অক্ষুণ্ণ থকা দেখা যায়। উদাহৰণস্বৰূপে— শিপিনীয়ে তাঁতশালত বৈ উলিওৱা গামোচাখন শিল্প; কিন্তু সেই গামোচাখনত এশ, ডেৰশ বা তিনিশ কাঠিৰে ধুনীয়া ফুলজালিয়ে আমাক আনন্দ প্ৰদান কৰে অৰ্থাৎ কলাৰ প্ৰকাৰ্য সাধন কৰে। ঠিক সেইদৰে কাঁহৰ বাটি, কাঁহি আদিয়ে শিল্পৰ প্ৰকাৰ্য সাধে; কিন্তু তাত যদি লতা বা তেনেধৰণৰ ফুল কাটি দিয়া হয় তেন্তে সি কলালৈ ৰূপান্তৰ হয়। এক কথাত ক'ব পাৰি শিল্প আৰু কলাৰ মাজত অংগাংগী সম্বন্ধ আছে। প্ৰায়বোৰ শিল্পৰ মাজতে কলাৰ ধৰ্ম বা গুণ ৰক্ষিত হোৱা পৰিলক্ষিত হয়।

১৩.৩.৩ লোকস্থপতি বিদ্যা

অসমৰ লোকস্থপতি বিদ্যা বুলি ক'লে প্ৰধানতঃ বাঁহেৰে নিৰ্মাণ কৰা ঘৰ-দুৱাৰৰ কথাকে বুজিব লাগিব। বাঁহৰ উপৰি বেত, ইকৰা, খেৰ আৰু কাঠো ইয়াৰ বাবে ব্যৱহাৰ কৰা হয়। আমি জানোঁ যে অসমৰ লোকজীৱন মূলতঃ কৃষিভিত্তিক, সেয়ে থকা ঘৰৰ উপৰি ভঁৰালঘৰ, গোহালিঘৰ, ঢেঁকীশাল আদি বিভিন্ন ধৰণৰ ঘৰো নিৰ্মাণ কৰা হয়। অসমৰ লোকসমাজত বিবিধ প্ৰয়োজন মতে সজা ঘৰবোৰৰ ভিতৰত — চ'ঘাঘৰ, বৰঘৰ, সৰুঘৰ, মাৰলঘৰ, শোৱনিঘৰ, ৰান্ধনিঘৰ, ঢেঁকীশাল, তাঁতশাল, ভঁৰাল, বাটচ'ৰা, নামঘৰ, গোসাঁইঘৰ আদিয়েই প্ৰধান। ইয়াৰে বেছিভাগ ব্যক্তিগত আৰু দুই এক ৰাজহুৱা ঘৰ। ঘৰ-দুৱাৰ নিৰ্মাণ কৰিবৰ বাবে বিশেষ কাৰিকৰ নাথাকে, পৰম্পৰাগতভাৱে চলি গৃহ নিৰ্মাণ প্ৰণালী অহা প্ৰণালী, ডাকৰ বচন আদিয়েই হ'ল ইয়াৰ মূল আধাৰস্বৰূপ। সাধাৰণতে ঘৰ-দুৱাৰবিলাক বিশেষ কাৰুকাৰ্য খচিত নহয়— দুখন চাল, কাঠ বা বাঁহৰ

খুটা, মাটিৰে লিপা বেৰ, কাঠ বা বাঁহৰ দাং লগোৱা দুৱাৰ আদিয়েই প্ৰধানতঃ অসমীয়া ঘৰৰ চানেকি। ডাকৰ বচনত উল্লেখ আছে—

পূবে ভঁৰাল, পশ্চিমে গঁৰাল।
উত্তৰে চৰু, দক্ষিণে গৰু।।

ঘৰ সজাৰ আগতে জ্যোতিষীৰ হতুৱাই চোৱা-মেলা কৰি ঘাইখুঁটা পুতিবৰ দিনা পূজা এভাগো কৰি লোৱা হয়। ঘৰ বন্ধা ভেটিৰ বাবেও স্থান নিৰ্বাচন কৰি পূবা-পশ্চিমাকৈহে বৰঘৰ সজা হয়। ডাকৰ বচনতো ইয়াৰ উল্লেখ আছে—

পূবা-পশ্চিমাকৈ সাজিব ঘৰ।
অকাল মৃত্যুক নাহিকে ডৰ।।

পূৰ্বতে ঘৰ সাজোতে বতাহ সোমাব পৰাকৈ খিৰিকি দিয়া নহৈছিল। তাৰ ঠাইত বেৰত জলঙা কাটিহে পোহৰ সোমোৱাৰ ব্যৱস্থা কৰা হয়। ভঁৰালঘৰ পূবফালে এমূৰে চাংঘৰ দৰে কেঁচাকৈ সজা হয়। ভঁৰালঘৰো অসমীয়া মানুহৰ বাবে গোসাঁইঘৰৰ দৰে পবিত্ৰ স্থান। বাহি গাৰে কেতিয়াও ভঁৰালত সোমোৱা নহয়। ভঁৰালত উঠোতে-নামোতে গাধৈত সেৱা এটি কৰি লোৱা নিয়ম। তদুপৰি বিহুৱে সংক্ৰান্তিয়ে ভঁৰালত চাকি এগচো জ্বলোৱা হয়।

ঠিক সেইদৰে মাৰলঘৰ বা তাৰ পিৰালিত ঢেঁকীশাল পতা হয়। গৰু-ম'হৰ বাবে গোহালিঘৰ সজা হয়। মাজতে চোতালখন লৈ চ'ৰাঘৰ, বৰঘৰ, মাৰলঘৰ, গোসাঁইঘৰ, ৰান্ধনিঘৰ আদি সুকীয়া সুকীয়াকৈ বিভিন্ন ঘৰসমূহ সজা হয়। চ'ৰাঘৰ সাধাৰণতে দুচলীয়াকৈ পথালিভাৱে সাজে। চ'ৰাঘৰ, বৰঘৰৰ পৰা আঁতৰত অলপ ভিতৰফালে ৰান্ধনিঘৰ কেঁচাকৈয়ে সজা নিয়ম অসমীয়া সমাজত প্ৰচলিত। বৰ্তমান কাঠ, টিং আদিৰে নিৰ্মাণ কৰিলেও সাধাৰণতে ৰান্ধনি ঘৰৰ মজিয়া কেঁচাকৈ ৰখা নিয়ম।

অসমীয়া ঘৰৰবেৰসমূহ মূলতঃ বাঁহেৰে সজা হয় যদিও কেতিয়াবা কেতিয়াবা ইকৰা বা খাগৰিও ব্যৱহাৰ কৰা হয়। চাল উলুখেৰ বা শৰণখেৰেৰে চোৱা হয়। খেৰৰ অভাব হ'লে ধানৰ নৰাও ব্যৱহাৰ কৰে। বৰ্তমান অৱশ্যে কাঠৰ ঘৰৰ লগতে বাঁহৰ ঘৰতো টিনপাট বন্ধা দেখা গৈছে। ঠিক সেইদৰে বহু অঞ্চলত টকৌপাত, তালপাত আদিও চালত ব্যৱহাৰ কৰা পৰিলক্ষিত হ'ব।

আহোম ৰজাসকলে পোৱামাটিৰ পকীঘৰো সজাইছিল। সাধাৰণ প্ৰজাই এনে ঘৰ নিৰ্মাণ কৰিব নোৱাৰিছিল। স্বৰ্গদেওসকলৰ ৰাজ অভিষেকৰ কাৰণে পাটঘৰ, হোলোংঘৰ, শিঙৰি ঘৰ আদিও নিৰ্মাণ কৰিছিল। এওঁলোকৰ ঘৰসমূহত দুয়োমূৰে টুপ লগোৱা দেখা যায়। উল্লেখযোগ্য যে সাধাৰণ প্ৰজাই তেওঁলোকৰ ঘৰত টুপ লগোৱাত বাধা আছিল।

অসমীয়া লোকসমাজত নামঘৰৰ স্থান অতিকে উচ্চ। সাধাৰণতে নামঘৰৰ সন্মুখত বাটচ'ৰা নিৰ্মাণ কৰা হয়। বহু ধনী ব্যক্তিয়েও নিজৰ ঘৰত পদূলিমূৰত বাটচ'ৰা

নির্মাণ কৰে। নামঘৰসমূহত মূলতঃ চাৰিটা ভাগ থাকে— মণিকূট, কীর্তনঘৰ, ছোঁঘৰ আৰু বাটচ'ৰা। বহু ঠাইত অৱশ্যে আর্থিক অৱস্থাৰ বাবে কেৱল কীর্তনঘৰটোহে সজা দেখা যায়। কীর্তনঘৰটো পূবা-পশ্চিমাকৈ সাজি একেবাৰে পূবৰ ফালে উত্তৰা-দক্ষিণাকৈ মণিকূট সজা হয়। নামঘৰটোৰ দক্ষিণ-পশ্চিম চুকতে সাধাৰণতে ছোঁঘৰ সজা হয়। পূর্বতে নামঘৰ নির্মাণ কৰোঁতে চাৰি শাৰী খুঁটা পোতা হৈছিল। দুফালে দুশাৰী পানী পাচৰ খুঁটা পুতি মাজত দুফালে দুশাৰী মাজৰ পাচৰ খুঁটা পোতা হয়। মাজৰ পাচৰ খুঁটা দুশাৰীৰ প্রথম কোঠাটোৰ প্রথম খুঁটাযোৰ এৰি দ্বিতীয় খুঁটা যোৰৰ সোঁহাতৰ খুঁটাটোৰেই নামঘৰৰ প্রধান খুঁটা বা লাইখুঁটা। মণিকূটৰ চাৰিওফালে মজবুতকৈ বেৰ দি মাজত দুৱাৰ ৰখা হয়। সাধাৰণতে কীর্তন ঘৰটোত বেৰ দিয়া নহয় যদিও কেতিয়াবা কেতিয়াবা দিয়া হয়। নামঘৰৰ খুঁটা, চটি আদিত হেঙুল-হাইতালেৰে বিভিন্ন ৰহণৰ প্রয়োগ কৰি লতা, ফুল, মূর্তি আদি কাটি উলিওৱা হয়। বহু নামঘৰৰ মণিকূট আৰু নামঘৰৰ দুৱাৰত কৃষ্ণৰ বিভিন্ন অৱতাৰ বা বৈষ্ণৱ ধর্মৰ লগত মিল থকা বিভিন্ন পুৰাণৰ কাহিনীৰ আধাৰত চিত্র অংকন কৰা দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ লোকশিল্পৰ প্রতিটো উপাদানতে লোককলাৰ ধর্ম অক্ষুণ্ণ থাকেনে?

.....

প্রশ্ন নং ৩ ঃ ঢেঁকীশাল সাধাৰণতে ক'ত পতা হয়?

.....

১৩.৩.৪ লোকআভৰণ

লোকআভৰণৰ ভিতৰত দুটা বিষয় অন্তর্ভুক্ত, যথা— সাজ-পাৰ আৰু আ-অলংকাৰ। বস্ত্র পৰিধান কৰা ৰীতিৰ সহায়েৰে আমি লিংগ, বয়স, বিবাহিত, অবিবাহিত, সধবা, বিধবা আদিৰ সংকেত পোৱাৰ উপৰি জাতি-বর্ণ-ধর্ম, ধনী-দুখীয়া আদিৰ প্রভেদো গম পাব পাৰোঁ। সাজ-পাৰৰ মাজেদি জাতিটোৰ সাংস্কৃতিক চেতনা, জাতীয় ঐতিহ্য, সৌন্দর্যবোধ আদিৰ উমান পাব পাৰি।

অসমীয়া লোকসমাজতো সাজ-পাৰে এক বিশেষ ভূমিকা গ্রহণ কৰি আহিছে। অসমৰ পুৰুষসকলৰ মাজত প্রধান বস্ত্র হিচাপে প্রচলিত আছিল ধুতি। ধুতি পিন্ধাৰ ৰীতিয়েই অসমীয়া সমাজৰ সামাজিক স্থিতি প্রকাশ কৰিছিল। সাধাৰণ প্রজা, খেতিয়ক, গৰখীয়া আদিয়ে আঠুমূৰীয়া চুৰিয়া পিন্ধিছিল। সম্ভ্রান্ত লোকসকলে ভৰিৰ সৰু গাঠিলৈকে পৰা ধুতি পিন্ধিছিল। আনহাতে গাত লৈছিল চাদৰ। উল্লেখযোগ্য যে ধুতি আৰু চাদৰ

লোৱাৰ বিভিন্ন ৰীতি বিৰাজমান। পূৰ্বতে পাগুৰি মৰাৰ ৰীতি নাছিল যদিও আহোমসকলৰ দিনৰে পৰা ইয়াৰ প্ৰচলন হয়। এঙাচোলা, গোমচেঙৰ চোলা, চটিনৰ চোলা, নৰাচোলা, বুকুচোলা, মিৰ্জাই চোলা, মোগলাই চোলাৰ লগত আন বিভিন্ন প্ৰকাৰৰ চোলাও আহোম যুগৰ পৰা প্ৰচলন হ'বলৈ ধৰে। অসমীয়া মানুহে সাধাৰণতে কপাহী, এড়ি, মুগা আৰু পাটৰ কাপোৰ ব্যৱহাৰ কৰিছিল। পূৰ্বতে অসমীয়া শিপিনীয়ে তাঁতশালতে নিত্য ব্যৱহাৰ্য এই ধৰণৰ বস্ত্ৰ তৈয়াৰ কৰিছিল। গামোচা, চাদৰ, চেলেং, বৰ কাপোৰ, তিয়নী, চুৰিয়া বা ধুতি, ৰিহা কাপোৰ, চোলা কাপোৰ আদি সকলো নিজে বৈ ব্যৱহাৰ কৰিছিল।

অসমীয়া নাৰীয়ে পূৰ্বতে শাৰী পৰিধান কৰিছিল। বৈষ্ণৱ যুগৰ কবিৰ ৰচনা তথা উজনি নামনি দুয়োফালে প্ৰচলিত বিয়া নামত থকা কন্যাৰ সাজ-পা�ৰৰ ক্ষেত্ৰত কৰা বৰ্ণনাত ইয়াৰ উল্লেখ পোৱা যায়।

শাৰী পিন্ধে শাৰী পিন্ধে ভাল মানুহৰ জী।
ভাল কৰি শাৰী পিন্ধে চিকাত গাৱত দি।। *(বিয়ানাম)*

পৰৱৰ্তীকালত ৰিহা-মেখেলা আৰু চেলেং বা চাদৰ ব্যৱহাৰ কৰিবলৈ লয়। এয়া মূলতঃ মংগোলীয় সংস্কৃতিৰ অৱদান বুলিয়েই অনুমান কৰা হৈছে। আহোম যুগত অসমীয়া মহিলাৰ সাজ-পাৰ কিছু পৰিৱৰ্তন ঘটে। আঁচুঅলীয়া ৰিহা, আঁচলে পাৰিয়ে গুণাকটা ৰিহা, গাৰিয়লী ৰিহা, দহিঅলীয়া ৰিহা আৰু কিংখাপৰ মেখেলা, গুণাকটা মেখেলা, গোমচেঙৰ মেখেলা, চাটনৰ মেখেলা, পাটৰ মেখেলা, মুগাৰ মেখেলা অসমীয়া তিৰোতাই অতীজৰেপৰা পৰিধান কৰি আহিছে। অবিবাহিতা আহোম মহিলাই ৰিহা নলৈছিল। বিবাহিতাই তিনি বস্ত্ৰ, ক্ৰমে— মেখেলা, চাদৰ আৰু ৰিহা, অবিবাহিতাই দুই বস্ত্ৰ— মেখেলা আৰু চাদৰ পৰিধান কৰিছিল।



জানি থোৱা ভাল

অসমীয়া লোকসমাজত সাজ-পাৰৰ বিশেষ স্থান আছে। ই মৰম আৰু মৰ্যাদাৰ প্ৰতীক। বিহুত বিহুৱান দিয়া কথাটিয়ে ইয়াৰ সাক্ষ্য বহন কৰে। অসমীয়া সমাজত সাজ-পাৰ ক্ষেত্ৰত বহু ৰীতি নীতিও আছে। তাঁতশালৰ প্ৰথম জুঁটিৰ চেলেং আৰু গামোচা ক্ৰমে গুৰু আৰু নামঘৰলৈ আগ কৰা হয়। ঠিক সেইদৰে বিভিন্ন উৎসৱ-পাৰ্বণত মান অনুসৰি বস্ত্ৰ দান কৰা হয়।

গতিশীল সময়ৰ বুকুত সমাজলৈ বহু পৰিৱৰ্তন আহে। সংস্কৃতিক চিন্তা চেতনাৰ আদান-প্ৰদানৰ প্ৰভাৱত এই পৰিৱৰ্তন সংঘটিত হয়। অসমীয়া লোক সাজ-পাৰৰ ক্ষেত্ৰতো এই প্ৰভাৱৰ বাবেই বহু পৰিৱৰ্তন ঘটিছে। বৰ্তমানকালত বিভিন্ন ধৰণৰ লংপেণ্ট, চোলা, চুড়িদাৰ আদিয়ো অসমীয়া সাজ-পাৰৰ ভিতৰুৱা হৈ পৰিছে।

মানুহৰ মনত থকা সৌন্দৰ্যবোধৰ পৰিচয় পোৱা যায় সাজ-পাৰৰ উপৰি দেহত

পিন্ধা অলংকাৰৰ পৰা। অসমীয়া মানুহ এই সৌন্দর্যবোধৰ প্রতি সততে সচেতন আছিল। ইয়াৰ প্রমাণ পোৱা যায় পৰিধান কৰা বিভিন্ন আ-অলংকাৰৰ পৰা। অসমীয়া নাৰী-পুৰুষ উভয়েই অলংকাৰ পৰিধান কৰিছিল। পূর্বৰ পৰা ইয়াৰ প্রচলন আছিল যদিও আহোম ৰজাসকলৰ দিনৰপৰা ইয়াৰ চাহিদা ক্রমাৎ বৃদ্ধি পায়। অসমীয়া পুৰুষে কাণত বাখৰ পতা, লোকাপাৰ, লংকেৰু; ডিঙিত মগৰদানা; হাতত গামখাৰু আৰু আঙুলিত মোহৰৰ আঙুঠি পৰিধান কৰিছিল। পূর্বতে পুৰুষে কাণৰ লটি ফুটাই তাত সোণ আৰু বাখৰ খটুৰা লোকাপাৰ পিন্ধিছিল। ইয়াৰ উপৰি সৰু আৰু পাতল লংকেৰুও পৰিধান কৰিছিল। গামখাৰু আছিল হাতত পিন্ধা পুৰুষৰ অলংকাৰ বিশেষ। মূলতঃ ৰূপৰ গামখাৰু ব্যৱহাৰ কৰা হৈছিল যদিও বহুতে সোণৰ গামখাৰুও পিন্ধিছিল। ডিঙিত পিন্ধা সোণৰ বাখৰ পতা মণি 'মতামণি'ত ৰঙা পোৱালমণিত গাঠি দিয়া হয়। তদুপৰি ডিঙিত পিন্ধা আন এবিধ অলংকাৰ হ'ল মগৰদানা। পুৰুষে ভৰিত কোনো ধৰণৰ অলংকাৰ পৰিধান নকৰে।

আনহাতে অসমীয়া মহিলাসকলে ভৰিৰ পৰা মূৰলৈকে বিভিন্ন ধৰণৰ অলংকাৰ পৰিধান কৰে। এইবোৰৰ ভিতৰত কাণত পিন্ধা থুৰীয়া, বিভিন্ন ধৰণৰ কেৰু, কাণফুল, কাণবালা; ডিঙিত গলপতা, ডুগডুগী, চিপামণি, হাৰ, সাতসৰী, জোনবিৰি, বেনা, গেজেৰা, ঢোলবিৰি, মুকুতা মালা, বিৰিমণি, মটৰ মণি, শিলিখামণি, পোৱালমণি; হাতত মুঠি খাৰু, পাটীয়া খাৰু, চেওখাৰু, শলীয়া; বাহুত বাজু; আঙুলিত জেঠীনেজীয়া, ম'ৰানেজীয়া, শেনপতা, বাখৰপতা আঙুঠি; নাকত নাকফুল, নলক; ককালত কৰধ্বনি; ভৰিত উজণ্টি, পাজোৰা আদি পৰিধান কৰিছিল। অসমীয়াৰ বুকুৰ আপোন বিহুটিত গোৱা গীততো উল্লেখ আছে—

কেৰু মণি থুৰীয়া
তুমি আমাৰ যুৰীয়া
অ' মাকন!
বহাগতে পাতি যাওঁ বিয়া।

অসমীয়া তিৰোতাই মূৰৰ চুলিত তিনিদলীয়া চিতিপতি, মাজ কপালত বিভিন্ন ধৰণৰ লটকন ওলমাই ৰাখে।

এনেদৰে বিচাৰ বিশ্লেষণ কৰিলে দেখা যায় যে অসমীয়া লোকসমাজত বিবিধ আ-অলংকাৰ পূর্বৰে পৰা প্রচলন আছিল। বর্তমান ইয়াৰে বহু অলংকাৰ ব্যৱহাৰ কৰা দেখা নাযায়। মুলতঃ এয়া পৰিৱর্তনশীল সময়ৰ প্রভাব বুলি অনুমান কৰিব পাৰি। উল্লেখযোগ্য যে অসমীয়া অলংকাৰত প্রধানত বাখৰ আৰু মীনাৰ কাৰুকার্যই হ'ল প্রধান চানেকি।

১৩.৩.৫ লোকৰন্ধন প্ৰণালী

খাদ্য মানুহৰ মৌলিক প্ৰয়োজনবোৰৰ ভিতৰত এটা। বেশভূষা, আচাৰ-ব্যৱহাৰ আদিৰ জৰিয়তে এজন মানুহৰ বিষয়ে যিমানখিনি জানিব পৰা হয়, খাদ্যৰ পৰা তাতোকৈ বেছি কথা জানিব পাৰি। সুৰুচিপূৰ্ণভাৱে জীৱন-নিৰ্বাহ কৰিব পৰাটোত সংস্কৃত সম্পন্ন মনোভাবৰ উমান পোৱা যায়। ৰন্ধন প্ৰণালী হ'ল ইয়াৰে এটা প্ৰধান উপকৰণ।

অসমীয়া মানুহৰ প্ৰধান খাদ্য হ'ল ভাত। প্ৰধানতঃ আৰৈ-উখোৱা চাউলৰ ভাত। বিভিন্ন ধৰণৰ ধান— বিশেষকৈ জহা, মাগুৰি, সুৱাগমণি, মালভোগ, শালি আদিৰ পৰা ভাত ৰন্ধা হয়। গৰম ভাতৰ উপৰি পইতা, কৰ্কৰা, বাহী ভাত খোৱাৰ পৰম্পৰাও অসমীয়া সমাজত বিদ্যমান।

অসমীয়া সমাজত অতীজৰে পৰা বিবিধ সুগন্ধি আৰু সুমিষ্ট ৰন্ধন প্ৰণালী চলি আহিছে। কোন পৰ্বত কি কি খাদ্য খাব লাগে, কি কি উপকৰণেৰে ৰান্ধিব লাগে, কেনেদৰে পাচলি কাটিব লাগে এনেধৰণৰ বিবিধ কথা আমি ডাকৰ বচন আৰু প্ৰবাদ-প্ৰবচনত উল্লেখ থকা দেখিবলৈ পাওঁ। যথা—

শাকে শোকোতাই ভক্ষণ
সেয়ে পুৰুষৰ লক্ষণ। (প্ৰবচন)
বুঢ়াই ডেকাই দুহালি বাবা।
তপতে পঁইতাই দুসাজি খাবা। (ডাকৰ বচন)

অসমীয়া সমাজত প্ৰচলন থকা ৰন্ধন প্ৰণালী উপকৰণ অনুসৰি ইয়াক তিনি ধৰণে ভাগ কৰিব পাৰি, ক্ৰমে— টেঙা, তিতা আৰু খাৰ। টেঙাৰ আঞ্জা যি ধৰণেই নাৰান্ধক অসমীয়া মানুহৰ বাবে সেয়াই প্ৰিয়। বিলাহি, কণবিলাহি, টেঙামৰা, ঔটেঙা, থেকেৰা, চুকা শাক হ'ল এনেধৰণৰ টেঙা আঞ্জাৰ উপকৰণ। কণবিলাহি, মাগুৰ মাছ আৰু কচুথোৰৰ আঞ্জা; ঔটেঙা ঢেকীয়া শাক আৰু পুঠি মাছৰ তৰকাৰী বা শ'ল মাছৰ লগত ঔটেঙা; পকা তেতেলী আৰু বুঢ়া বৰালী আদি সুস্বাদু আঞ্জাৰ সৰ্বোত্তম সংমিশ্ৰণ। আনহাতে বাঁহ অসমীয়া সংস্কৃতি প্ৰতিটো অংশতে লিপিট খাই আছে বুলি আমি আগতেও উল্লেখ কৰিছো। বাঁহৰ গাজ আৰু মাছৰ মূৰৰ আঞ্জা আন এক অসমীয়া লোকখাদ্য। টেঙাৰ দৰে অসমীয়াৰ আন এবিধ প্ৰিয় খাদ্য বস্তু হ'ল খাৰ। আনকি 'খাৰ খোৱা অসমীয়া' বুলি এযাৰ আপ্তবাক্যও প্ৰচলন আছে । ইয়াৰ পৰাই অনুমান কৰিব পাৰি অসমীয়া সমাজত খাৰৰ জনপ্ৰিয়তা। কলগছৰ পৰা প্ৰস্তুত কৰা কলাখাৰ আৰু দলনিত হোৱা শাকৰ পৰা সৎখাৰ, আঠিয়া কলৰ শুকান বাকলি পুৰি তৈয়াৰ কৰা খাৰ আদি বিভিন্ন ধৰণৰ খাৰ অসমীয়া সমাজত প্ৰচলিত। পূৰ্বতে লোণৰ পৰিৱৰ্তে খাৰ ব্যৱহাৰ কৰা হৈছিল। অমিতা, পচলা, মাটিমাহ, লাউশাক, তিতামৰাৰ শুকান পাত, তিতাফুল, শোকোতা আদি বিবিধ পাচলিৰ লগত খাৰ ৰন্ধা হয়।

অসমীয়া মানুহে তিতা খায়ো ভাল পায়। মূলতঃ শোকোতা, দোৱোণফুল, শুকলতি, নৰসিংহ, হেলচ, তিতা কেৱেলা, শেৱালী ফুল, বেতগাঁজ, ভেকুৰিতিতা, তিতাফুল আদি হ'ল সাধাৰণতে খোৱা তিতা পাচলি।

মাটিমাহৰ ব্যঞ্জনখন প্ৰত্যেকজন অসমীয়া মানুহৰে প্ৰিয়। কথাতে আছে 'হাঁহে মাহে' সুস্বাদু হয়। বিভিন্ন ধৰণৰ বনশাক মাছ-মঙহেৰে অসমীয়া মানুহে খায়। অসমীয়া মানুহে ডাঙৰ-সৰু প্ৰায় সকলো ধৰণৰ মাছেই খায়। মাছ খোৱাৰ তিনিটামান উল্লেখযোগ্য প্ৰণালী হ'ল— পাতত দিয়া, পোৱা আৰু খৰিকাত দিয়া। মোৱা মাছ পাতত দি, গৰৈ মাছ খৰিকাত দি বা পুৰি কৰ্কৰা বা পইতা ভাতৰ সতে খোৱা হয়। জালুকেৰে কুচিয়া দি ৰন্ধা জোলকণো খাবলৈ অতিকৈ সুস্বাদু।

অসমীয়া মানুহে ৰান্ধোতে সাধাৰণতে বৰ বেছি মা-মচলা ব্যৱহাৰ নকৰে। বাৰীত হোৱা আদা অকণ, নহৰু কেইফুটামান, তেজপাত, জালুক, ধনীয়া, সৰিয়হ, জিৰা আদিয়েই হ'ল প্ৰধান মা-মচলা। ৰোগ ব্যাধি নিৰাময় আৰু শৰীৰৰ শক্তি বঢ়াবলৈও ভেদাইলতা, মানিমুনি, মাটিকাদুৰি, কৰ্দৈ আদিৰ সৈতে কাৰৈ, গৰৈ, শ'ল, মাগুৰ আদি মাছ ৰন্ধা হয়। প্ৰায়বিলাক অসমীয়া মানুহে ভক্ষণ কৰা মাংস হ'ল— হাঁহ, পাৰ, ছাগলী। বৰ্তমান কুকুৰাও প্ৰায় সকলো মানুহে খায়।

অসমীয়া জা-জলপানসমূহ মূলতঃ চাউলৰ পৰাই প্ৰস্তুত কৰা হয়। চিৰা, মুৰি, মুৰিৰ লাড়ু, আখৈ, গোট কৰাই, পিঠাগুৰি, কোমল চাউল, বৰা চাউল আৰু বিভিন্ন ধৰণৰ পিঠা অসমীয়া প্ৰতিজন ব্যক্তিৰে অতিকে আপোন। পিঠাৰ ভিতৰত তিলপিঠা, ঘিলাপিঠা, পানীপিঠা, চুঙাপিঠা, টেকেলি পিঠা আদি উল্লেখযোগ্য।

উল্লেখযোগ্য যে বিহুৰ সময়ত আমৰলি পৰুৱাৰ টোপ খোৱা হয়। বিভিন্ন সময়ত কোনবোৰ খাদ্য সাধাৰণতে খোৱা নহয় সেই বিষয়েও অসমীয়া সমাজত কিছুমান বাধা-নিষেধ আছে। যেনে— প্ৰতিপদত কোমোৱা, তৃতীয়াত পটল, চতুৰ্থীত মূলা, পূৰ্ণিমা আউসী তথা সংক্ৰান্তিত মাছ-মঙহ খোৱা নিষেধ। যিকোনো খাদ্য খোৱাৰ পাছত অসমীয়া মানুহে মুখশুদ্ধিৰ বাবে মুহুদি কৰে তামোল-পাণেৰে। মূলতঃ অষ্ট্ৰিকসকলৰ পৰা অহা এই তামোল-পাণৰ ব্যৱহাৰ অসমীয়া লোকজীৱনত অতি ব্যাপক। তামোল উপৰি কৰ্পূৰ, আদা, আমলখি, শিলিখা আদিও মুখশুদ্ধি হিচাপে ব্যৱহাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ অসমীয়া সমাজত নাৰীয়ে ব্যৱহাৰ কৰা তিনি বস্ত্ৰ কি কি?

.....

প্রশ্ন নং ৫ ঃ অসমীয়া সমাজত মাছ খোৱাৰ প্ৰধান প্ৰণালী কেইটা কি কি?

.....



চিন্তা-চৰ্চা কৰক — ১৩.১

ইয়াত উল্লেখ কৰা বিবিধ ৰন্ধন শৈলীৰ বাহিৰে আপুনি জনা অসমীয়া লোকৰন্ধন প্ৰণালীসমূহৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।



১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লোকসংস্কৃতিৰ এটা প্ৰধান বিভাগ হ'ল ভৌতিক সংস্কৃতি। আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা সামগ্ৰীসমূহেই এই বিভাগটিত অন্তৰ্ভুক্ত হৈ আছে। এই বিভাগটিত লোকশিল্প, লোককলা, লোকস্থপতি বিদ্যা, লোকআভৰণ আৰু লোকৰন্ধন প্ৰণালী — আদি দিশসমূহ সন্নিৱিষ্ট হৈ আছে।
- দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ পৰা আদি কৰি বিভিন্ন উৎসৱ-অনুষ্ঠানত বিশেষভাৱে প্ৰয়োজন হোৱা বিভিন্ন সামগ্ৰীলৈকে লোকশিল্পৰ পৰিসৰ পৰিব্যাপ্ত হৈ আছে। মূলতঃ লোকশিল্পই ব্যক্তিজীৱন তথা সামূহিক জীৱনৰ প্ৰয়োজনীয়তা পূৰণ কৰে যদিও বহুসময়ত এইবোৰে অৰ্থনৈতিক দিশতো বিশেষ ভূমিকা গ্ৰহণ কৰে। অসমৰ লোকশিল্পসমূহক কেইবাটাও বিভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। এই বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।
- লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা কলাই হ'ল লোককলা। লোককলা আৰু লোকশিল্প এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। মূল কথাটি হ'ল — 'আনন্দদানৰ প্ৰকাৰ্য সম্পৃক্ত নিৰ্মিতিয়েই কলা আৰু জীৱনৰ বাস্তৱিক প্ৰকাৰ্য সম্পৃক্ত নিৰ্মিতিয়েই শিল্প।'
- অসমৰ লোকস্থপতি বিদ্যা বুলি ক'লে প্ৰধানতঃ বাঁহেৰে নিৰ্মাণ কৰা ঘৰ-দুৱাৰৰ কথাকে বুজিব লাগিব। বাঁহৰ উপৰি বেত, ইকৰা, খেৰ আৰু কাঠো ইয়াৰ বাবে ব্যৱহাৰ কৰা হয়। অসমৰ লোকসমাজত বিবিধ প্ৰয়োজন মতে সজা ঘৰবোৰৰ ভিতৰত — চ'ৰাঘৰ, বৰঘৰ, সৰুঘৰ, মাৰলঘৰ, শোৱনিঘৰ, ৰান্ধনিঘৰ, ঢেঁকীশাল, তাঁতশাল, ভঁৰাল, বাটচ'ৰা, নামঘৰ, গোসাঁইঘৰ আদিয়েই প্ৰধান। ইয়াৰে বেছিভাগ ব্যক্তিগত আৰু দুই এক ৰাজহুৱা ঘৰ। অসমীয়া লোকসমাজত নামঘৰৰ স্থান অতিকে উচ্চ। নামঘৰসমূহত মূলতঃ চাৰিটা ভাগ থাকে— মণিকূট, কীৰ্তনঘৰ, ছোঁঘৰ আৰু বাটচ'ৰা।
- লোকআভৰণৰ ভিতৰত দুটা বিষয় অন্তৰ্ভুক্ত, যথা— সাজ-পাৰ আৰু আ-অলংকাৰ। সাজ-পাৰ, আ-অলংকাৰৰ মাজেদি জাতিটোৰ সাংস্কৃতিক চেতনা, জাতীয় ঐতিহ্য, সৌন্দৰ্যবোধ

আদিৰ উমান পাব পাৰি। অসমীয়া মানুহে সাধাৰণতে কঁপাহী, এড়ি, মুগা আৰু পাটৰ কাপোৰ ব্যৱহাৰ কৰিছিল। পূৰ্বতে অসমীয়া শিপিনীয়ে তাঁতশালতে নিত্য ব্যৱহার্য এই ধৰণৰ বস্ত্র তৈয়াৰ কৰিছিল। গামোচা, চাদৰ, চেলেং, বৰ কাপোৰ, তিয়নী, চুৰিয়া বা ধুতি, ৰিহা কাপোৰ, চোলা কাপোৰ আদি সকলো নিজে বৈ ব্যৱহাৰ কৰিছিল। পুৰুষসকলৰ মাজত প্রধান বস্ত্র হিচাপে প্রচলিত আছিল ধুতি আৰু চাদৰ। অসমীয়া বিবাহিতা তিৰোতাই তিনি বস্ত্র ক্রমে— মেখেলা, চাদৰ আৰু ৰিহা, অবিবাহিতাই দুই বস্ত্র— মেখেলা আৰু চাদৰ পৰিধান কৰিছিল।

- মানুহৰ মনত থকা সৌন্দর্যবোধৰ পৰিচয় পোৱা যায় সাজ-পাৰৰ উপৰি দেহত পিন্ধা অলংকাৰৰ পৰা। অসমীয়া মানুহ এই সৌন্দর্যবোধৰ প্রতি সততে সচেতন আছিল। ইয়াৰ প্রমাণ পোৱা যায় পৰিধান কৰা বিভিন্ন আ-অলংকাৰৰ পৰা। অসমীয়া নাৰী-পুৰুষ উভয়েই অলংকাৰ পৰিধান কৰিছিল। পূর্বৰ পৰা ইয়াৰ প্রচলন আছিল যদিও আহোম ৰজাসকলৰ দিনৰপৰা ইয়াৰ চাহিদা ক্রমাৎ বৃদ্ধি পায়।
- অসমীয়া মানুহৰ প্রধান খাদ্য হ'ল ভাত। প্রধানতঃ আৰৈ-উখোৱা চাউলৰ ভাত। অসমীয়া জা-জলপানসমূহ মূলতঃ চাউলৰ পৰাই প্রস্তুত কৰা হয়। চিৰা, মুৰি, মুৰিৰ লাড়ু, আখৈ, গোট কৰাই, পিঠাগুৰি, কোমল চাউল, বৰা চাউল আৰু বিভিন্ন ধৰণৰ পিঠা অসমীয়া প্রতিজন ব্যক্তিৰে অতিকে আপোন। অসমীয়া সমাজত প্রচলন থকা ৰন্ধন প্রণালী উপকৰণ অনুসৰি তিনি ধৰণে ভাগ কৰিব পাৰি। ক্রমে— টেঙা, তিতা আৰু খাৰ। বিভিন্ন ধৰণৰ বনশাক মাছ-মঙহেৰে অসমীয়া মানুহে খায়। অসমীয়া মানুহে ডাঙৰ-সৰু প্রায় সকলো ধৰণৰ মাছেই খায়। মাছ খোৱাৰ তিনিটামান উল্লেখযোগ্য প্রণালী হ'ল— পাতত দিয়া, পোৱা আৰু খৰিকাত দিয়া।



১৩.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কাগ্য়ুং, ভৃগুমুনি (সম্পা.) (১৯৭০); *মিচিং সংস্কৃতিৰ আলেখ্য;* গুৱাহাটী।

২) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

৩) গোস্বামী, প্রফুল্ল দত্ত (১৯৮৬); *অসমীয়া জনসাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৪) তাহেৰ, মহম্মদ (মুখ্য সম্পা.) (২০০৫); *বিশ্বকোষ (অষ্টম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৫) তাহেৰ, মহম্মদ (মুখ্য সম্পা.) (২০০৬); *বিশ্বকোষ (নৱম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৬) দাস, যুগল; *অসমৰ লোককলা;* গুৱাহাটী।

৭) নার্জি, ভবেন (১৯৭১); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী।

৮) নেওগ, ডিম্বেশ্বৰ (১৯৬৪); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী।

৯) নেওগ, মহেশ্বৰ (১৯৬৪), *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১০) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পা.) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

১১) বৰদলৈ, নির্মলপ্রভা (১৯৭১); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১২) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী।

১৩) ৰাজবংশী, পৰমানন্দ (সম্পা.) (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ প্রাগ্‌জ্যোতিষ মহাবিদ্যালয়।

১৪) হাকাচাম, উপেন ৰাভা (২০১০); *অসমৰ জনজাতীয় সংস্কৃতি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১৫) শর্মা, নবীন চন্দ্র (১৯৯৮); *অসমীয়া লোকসংস্কৃতিৰ আভাস;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৬) শর্মা, নবীন চন্দ্র (সম্পা.) (১৯৮৭); *ডাক প্রৱচন;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৭) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্রন্থ ঃ

১৮) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyer's Book Stall.

১৯) Dorson, R. M. (ed.)(1972). *Folklore and Folklife: An Introduction.* Chicago: The University of Chicago Press.

২০) Dundes, A. (1978). *Essays in Folkloristics*. Folklore Institute.

২১) Dutta, B. N. & et. al. (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

২২) Leach, M. (1972). *Standard Dictionary of Folklore*. Funk & Wagnalls.

২৩) Sarma, N.C. (1988). *Essays in the Folklore of North-Eastern India*. Guwahati: Bani Prakasan.